रजिस्ट्री सं डी 221

Registered No. D 221

পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

**असाधारण**

**EXTRA ORDINARY**

**অসাধাৰণ**

**भाग VI - अनुभाग 1**

**PART VI - Section 1**

**ভাগ ৬ - অনুভাগ ১**

**प्राधिकार से प्रकाशित**

PUBLISHED BY AUTHORITY

**প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত**

**No. 5 ] NEW DELHI, THURSDAY, JUNE 14, 2018 / 24 JAISTHA, 1940 (Saka) [ VOL : 5**

নং ৫ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৪, ২০১৮ / ২৪ জেঠ, ১৯৪০ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

৮ আগষ্ট, ১৯৯৮ তাৰিখে যথাবিদ্যমান

ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া
বিলম্বিত আদায়ৰ ওপৰত সুদ অধিনিয়ম, ১৯৯৩ (১৯৯৩ ৰ ৩২)

# ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদ অধিনিয়ম, ১৯৯৩
## (১৯৯৩ৰ ৩২)

### ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | পৃষ্ঠা |
|---|---|
| ১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ | ১ |
| ২। পৰিভাষা | ১ |
| ৩। আদায় দিবলৈ ক্ৰেতাৰ দায়িত্ব | ২ |
| ৪। কোন তাৰিখৰ পৰা আৰু কি হাৰত সুদ দেয় হয় | ২ |
| ৫। মিশ্ৰ সুদ আদায় দিবলৈ ক্ৰেতাৰ দায়িত্ব | ২ |
| ৬। শোধ্য ধনৰাশিৰ পুনৰ আদায় | ২ |
| ৭। আপীল | ২ |
| ৭ক। উদ্যোগ সুবিধা পৰিষদৰ স্থাপন | ২ |
| ৭খ। উদ্যোগ সুবিধা পৰিষদৰ গঠন | ৩ |
| ৭গ। ৰাজ্যিক বিধানমণ্ডলত নিয়মাৱলীৰ উত্থাপন | ৩ |
| ৮। হিচাপৰ বাৰ্ষিক বিবৃতিত সুদ সহ অনাদায় ধনৰাশি বিনিৰ্দ্দিষ্ট কৰিবলৈ অপেক্ষাকৰণ | ৩ |
| ৯। আয়ৰ পৰা ব্যয়কলন ৰূপে সুদক অনুমতি দিয়া নহব | ৩ |
| ১০। অধ্যাৰোহী প্ৰভাৱ | ৩ |
| ১১। নিৰসন আৰু ব্যাবৃত্তি | ৩ |

# ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদ অধিনিয়ম, ১৯৯৩
## (১৯৯৩ৰ ৩২)

[২এপ্ৰিল, ১৯৯৩]

ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদৰ আদায় আৰু ইয়াৰ সৈতে সম্পৰ্কিত বা ইয়াৰ আনুষঙ্গিক বিষয়সমূহক উপবন্ধ আৰু বিনিয়মিত কৰিবলৈ এখনি অধিনিয়ম ।

ইয়াক ভাৰত গণৰাজ্যৰ চৌচল্লিশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওক :—

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মখন, ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদ অধিনিয়ম, ১৯৯৩ বুলি অভিহিত হ'ব ।

(২) ই, জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ব্যতিৰেকে সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত হৈছে।

(৩) ইয়াক, ১৯৯২ৰ ২৩ চেপ্তেম্বৰ তাৰিখে বলবৎ হোৱা বুলি গণ্য কৰা হ'ব ।

পৰিভাষা।

২। এই অধিনিয়মত প্ৰসঙ্গত অন্যাথা অপেক্ষিত নহলে,—

(ক) ''আনুষঙ্গিক ঔদ্যোগিক উপক্ৰম''ৰ উদ্যোগ (বিকাশ আৰু বিনিয়ম) অধিনিয়ম, ১৯৫১ (১৯৫১ৰ ৬৫)ৰ ধাৰা ৩ৰ খণ্ড (কক)ৰ দ্বাৰা ইয়ালৈ আৰোপিত কৰাৰ দৰে অৰ্থ হৈছে ;

(খ) ''নিয়ত দিন'' মানে এজন যোগানকাৰীৰ পৰা এজন ক্ৰেতাৰ দ্বাৰা কোনো সামগ্ৰী বা কোনো সেৱা গ্ৰহণৰ তাৰিখৰ পৰা বা গ্ৰহণ কৰা বুলি গণ্য কৰা তাৰিখৰ পৰা ত্ৰিশ দিন অৱধিৰ অৱসানৰ অব্যৱহিত পশ্চাৎ দিন ;

**স্পষ্টীকৰণ** — এই খণ্ডৰ প্ৰয়োজনাৰ্থে,—

(i) ''গ্ৰহণৰ দিন'' মানে,—

(ক) সামগ্ৰীৰ প্ৰকৃত পৰিদানৰ বা সেৱা প্ৰদানৰ দিন ; বা

(খ) য'ত সামগ্ৰীৰ পৰিদান বা সেৱাৰ প্ৰদানৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত সামগ্ৰী বা সেৱাৰ গ্ৰহণ সম্বন্ধে ক্ৰেতাৰ দ্বাৰা লিখিত ভাৱে কোনো আপত্তি দিয়া হয়, সেই দিনটো যিটোত এনে আপত্তি, যোগানকাৰীৰ দ্বাৰা দূৰীকৰণ কৰা হয় ;

(ii) ''গ্ৰহণ কৰা বুলি গণ্য কৰা তাৰিখ'' মানে য'ত সামগ্ৰীৰ পৰিদান বা সেৱাৰ প্ৰদানৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত সামগ্ৰী বা সেৱাৰ গ্ৰহণ সম্বন্ধে ক্ৰেতাৰ দ্বাৰা লিখিত ভাৱে কোনো আপত্তি দিয়া নহয়, সামগ্ৰীৰ প্ৰকৃত পৰিদান বা সেৱা প্ৰদানৰ তাৰিখ ;

(গ) ''ক্ৰেতা'' মানে যিজনেই মূল্যৰ বাবে কোনো যোগানকাৰীৰ পৰা কোনো সামগ্ৰী ক্ৰয় কৰে বা কোনো সেৱা গ্ৰহণ কৰে ;

(ঘ) ''সামগ্ৰী'' মানে কোনো বাদযোগ্য দাবী আৰু ধন ৰাশিৰ অন্যথা প্ৰত্যেক প্ৰকাৰৰ অস্থাৱৰ সম্পত্তি ;

(ঙ) ''ক্ষুদ্ৰ নিৰিখ ঔদ্যোগিক উপক্ৰম ''ৰ উদ্যোগ (বিকাশ আৰু বিনিয়ম) অধিনিয়ম, ১৯৫১ (১৯৫১ৰ ৬৫)ৰ ধাৰা ৩ৰ খণ্ড (ঞ)ৰ দ্বাৰা ইয়ালৈ ন্যস্ত কৰা দৰে অৰ্থ হয় ;

(চ) ''যোগানকাৰী'' মানে ৰাজ্য বা [১][ সংঘ ৰাজ্যক্ষেত্ৰৰ উদ্যোগ সঞ্চালকালয়ৰ দ্বাৰা জাৰি কৰা স্থায়ী পঞ্জীয়ন প্ৰমাণ পত্ৰ ধাৰণ কৰা আনুষঙ্গিক ঔদ্যোগিক উপক্ৰম বা ক্ষুদ্ৰ ঔদ্যোগিক উপক্ৰম [১][আৰু ই নিম্নলিখিতসমূহক অন্তৰ্ভুক্ত কৰে,—

১। ১৯৯৮ৰ অধিনিয়ম ২৩ৰ ধাৰা ২ৰ দ্বাৰা ''সংঘ ৰাজ্যক্ষেত্ৰৰ'' স্থানত (১০-৮-১৯৯৮ৰ পৰা প্ৰভাৱী হোৱাকৈ) প্ৰতিস্থাপিত।

ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক উদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদ অধিনিয়ম, ১৯৯৩

(i) কোম্পানী অধিনিয়ম, ১৯৫৬ (১৯৫৬ৰ ১)ৰ অধীনত পঞ্জীভুক্ত হোৱা এটা কোম্পানী, ৰাষ্ট্ৰীয় ক্ষুদ্ৰ উদ্যোগ নিগম ;

(ii)কোম্পানী অধিনিয়ম, ১৯৫৬ (১৯৫৬ৰ ১)ৰ অধীনত পঞ্জীভুক্ত এটা কোম্পানী হোৱা, যি নামেৰেই মতা নহওঁক কিয় এখন ৰাজ্য বা এখন সংঘ ৰাজ্যক্ষেত্ৰৰ ক্ষুদ্ৰ উদ্যোগ বিকাশ নিগম ।]

আদায় দিবলৈ ক্ৰেতাৰ দায়িত্ব ।

৩ । য'ত কোনো যোগানকাৰীয়ে কোনো ক্ৰেতালৈ কোনো সামগ্ৰী যোগান ধৰে বা কোনো সেৱা প্ৰদান কৰে, তেতিয়া ক্ৰেতাই লিখিত ভাৱে তেওঁ আৰু যোগানকাৰীৰ মাজত সম্মত হোৱা তাৰিখত বা ইয়াৰ পূৰ্বে ধনৰাশি আদায় দিব বা য'ত এই মৰ্ম্মে কোনো চুক্তি নাথাকে, নিয়ত দিনৰ পূৰ্বে আদায় দিব ঃ

[১][পৰন্তু কোনো ক্ষেত্ৰত যোগানকাৰী আৰু ক্ৰেতাৰ মাজত লিখিতভাৱে সম্মত হোৱা অৱধি, গ্ৰহণৰ তাৰিখৰ পৰা বা গ্ৰহণ কৰা বুলি গণ্য কৰা তাৰিখৰ পৰা এশ বিশৰ দিনৰ অধিক নহ'ব । ]

কোন তাৰিখৰ পৰা আৰু কি হাৰত সুদ দেয় হয় ।

[২][৪ । য'ত কোনো ক্ৰেতাই ধাৰা ৩ৰ অধীনত অপেক্ষিত হোৱা দৰে কোনো যোগানকাৰীক কোনো ধনৰাশি আদায় দিবলৈ অসফল হয়, তেতিয়া ক্ৰেতাই, ক্ৰেতা আৰু যোগানকাৰীৰ মাজত থকা কোনো চুক্তিত বা তৎসময় বলৱৎ থকা কোনো বিধিত কোনো কথা থকা সত্ত্বেও, ভাৰতীয় ষ্টেট বেংকৰ দ্বাৰা প্ৰভাৱিত মুখ্য ধাৰ লোৱা ডেৰ ভাগৰ এটা হাৰত নিয়ত দিনৰ পৰা বা যথাস্থিতি সম্মত হোৱা তাৰিখৰ ঠিক পিচৰ দিনৰ পৰা সেই পৰিমাণত যোগানকাৰীলৈ সুদ আদায় দিবলৈ দায়ী হ'ব ।

**স্পষ্টীকৰণ** —এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''মুখ্য ধাৰ লোৱা হাৰ'' মানে ভাৰতীয় ষ্টেট বেংকৰ মুখ্য ধাৰ লোৱা হাৰ যিটো বেংকৰ সৰ্বোত্তম ধাৰ লওঁতালৈ সহজলভ্য হয় ।

মিশ্ৰ সুদ আদায় দিবলৈ ক্ৰেতাৰ দায়িত্ব ।

৫ । এজন যোগানকাৰী আৰু এজন ক্ৰেতাৰ মাজত হোৱা কোনো চুক্তিত বা তৎসময় বলবৎ থকা কোনো বিধিত কোনো কথা থকা সত্ত্বেও ক্ৰেতাই যোগানকাৰীলৈ দেয় পৰিমাণৰ ওপৰত ধাৰা ৪ত উল্লেখ কৰা হাৰত (মাহেকীয়া অৱশিষ্ট সহ) মিশ্ৰ সুদ আদায় দিবলৈ দায়ী হ'ব ।

দেয় ধনৰাশিৰ পুনৰআদায় ।

৬ ।[৩][(১)] ধাৰা ৪ আৰু ৫ৰ উপবন্ধসমূহৰ অনুসৰণত গণনা কৰা সুদৰ পৰিমাণৰ সৈতে একেলগে, এজন ক্ৰেতাৰ পৰা দেয় ধনৰাশি, তৎসময় বলবৎ হোৱা কোনো বিধিৰ অধীনত এটা বাদ বা আন কাৰ্যবাহীৰ মাধ্যমেৰে যোগানকাৰীৰ দ্বাৰা ক্ৰেতাৰ পৰা পুনৰ আদায়যোগ্য হ'ব ।

[৩][(২)] উপ-ধাৰা (১)ত কোনো কথা থকা সত্ত্বেও, এটা বিবাদ কৰা কোনো পক্ষই, সেই উপ-ধাৰাত নিৰ্দ্দেশিত বিষয়ৰ সম্বন্ধত এজন মধ্যস্থকাৰী বা আপোচকাৰী ৰূপে কাৰ্য্য কৰাৰ বাবে উদ্যোগিক সুবিধা পৰিষদলৈ এটা প্ৰসঙ্গ নিৰ্দেশ দিব আৰু মধ্যস্থ আৰু আপোচ অধিনিয়ম, ১৯৯৬ (১৯৯৬ ৰ ২৬) ৰ উপৰন্ধাৱলী এনে বিবাদলৈ প্ৰযোজ্য হ'ব যেনিবা মধ্যস্থ আৰু আপোচ, সেই অধিনিয়মৰ ধাৰা ৭ৰ উপ-ধাৰা (১)ত নিৰ্দ্দেশিত এটা মধ্যস্থ চুক্তিহে আছিল ।

আপীল ।

৭ । কোনো ডিক্ৰী, নিৰ্ণয় বা আন আদেশৰ বিৰুদ্ধে কোনো আপীল কোনো ন্যায়ালয় বা আন প্ৰাধিকাৰীৰ দ্বাৰা কৰা নহ'ব যদিহে (যোগানকাৰী নোহোৱা) কোনো আপীলকাৰীয়ে, এনে ন্যায়ালয় বা যথাস্থিতি এনে প্ৰাধিকাৰীৰ দ্বাৰা নিৰ্দ্দেশিত কৰা ৰীতিত ডিক্ৰী, নিৰ্ণয় বা যথাস্থিতি আন আদেশৰ নিবন্ধনত ধনৰাশিৰ পয়সত্তৰ শতাংশ ইয়াত জমা নিদিয়ে ।

উদ্যোগ সুবিধা পৰিষদৰ স্থাপন ।

[৪][৭-ক । ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে অধিকাৰিতা কাৰ্যকৰী কৰা এনে স্থানসমূহত আৰু এনে স্থানৰ বাবে এক বা ততোধিক উদ্যোগ সুবিধা পৰিষদ স্থাপন কৰিব ।

১ । ১৯৯৮ৰ অধিনিয়ম ২৩ৰ ধাৰা ৩ৰ দ্বাৰা (১০-৮-১৯৯৮ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত ।

২ । একে অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা ধাৰা ৪ৰ স্থানত (১০-৮-১৯৯৮ৰ পৰা প্ৰভাৱী হোৱাকৈ) প্ৰতিষ্ঠাপিত ।

৩ । ১৯৯৮ৰ অধিনিয়ম ২৩ৰ ধাৰা ৫ৰ দ্বাৰা (১০-৮-১৯৯৮ৰ পৰা প্ৰভাৱী হোৱাকৈ) ধাৰা ৬, উপ-ধাৰা (১) ৰূপে পুনৰ সংখ্যাঙ্কিত কৰা হ'ল আৰু উপ-ধাৰা (২) অন্তঃস্থাপিত কৰা হ'ল ।

৪ । একে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত ।

ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদ

অধিনিয়ম, ১৯৯৩

উদ্যোগ সুবিধা পৰিষদৰ গঠন।

৭-খ।(১) উদ্যোগ সুবিধা পৰিষদখন, নিম্নলিখিত বিভাগবোৰৰ মাজৰ পৰা নিয়োজিত হ'বলৈ এক বা ততোধিক সদস্যৰে গঠিত হ'ব ঃ—

(i) উদ্যোগ সঞ্চালক, যি নামেৰেই মতা নহওঁক কিয়, বা ৰাজ্য চৰকাৰৰ এনে সঞ্চালক পদৰ নিম্নতৰ নোহোৱা কোনো আন পদাধিকাৰী ;

(ii) বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰতিনিধি ;

(iii) ৰাজ্যিক উদ্যোগ সন্থাৰ পদধাৰী বা প্ৰতিনিধি ;

(iv) উদ্যোগ, বিত্ত, বিধি, ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত বিশেষ জ্ঞান থকা ব্যক্তি।

(২) উপ-ধাৰা (১)ৰ খণ্ড (i)ৰ অধীনত নিয়োজিত ব্যক্তিজন, উদ্যোগ সুবিধা পৰিষদৰ অধ্যক্ষ হ'ব।

(৩) উদ্যোগ সুবিধা পৰিষদৰ গঠন, তেওঁলোকৰ মাজত হোৱা পদৰিক্তিৰ পূৰণৰ ৰীতি, সদস্যসকলৰ দ্বাৰা তেওঁলোকৰ কৃত্যৰ নিৰ্বহনত অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া এনে হ'ব, যিদৰে ৰাজ্য চৰকাৰৰ নিয়মাৱলীৰ দ্বাৰা বিহিত কৰা হয়।

ৰাজ্যিক বিধান মণ্ডলত নিয়মাৱলীৰ উত্থাপন।

৭-গ। এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা জাৰি কৰা প্ৰত্যেক অধিসূচনা আৰু প্ৰণয়ন কৰা প্ৰত্যেক নিয়ম, ইয়াক জাৰি বা প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলত উত্থাপিত কৰা হ'ব। ]

হিচাপৰ বাৰ্ষিক বিবৃতিত সুদসহ অনাদায়ধনৰাশি বিনিৰ্দ্দিষ্ট কৰিবলৈ অপেক্ষাকৰণ।

৮। য'ত কোনো ক্ৰেতাক তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত হিচাপ পৰীক্ষা কৰা তেওঁৰ বাৰ্ষিক হিচাপসমূহ পাবলৈ অপেক্ষিত কৰা হয়, তেতিয়া তেনে ক্ৰেতাই, প্ৰত্যেক হিচাপ বৰ্ষৰ অন্তত কোনো যোগানকাৰীলৈ অনাদায় হোৱা অৱশিষ্ট ৰূপে তেওঁ হিচাপৰ বাৰ্ষিক বিবৃতি সুদ সহ একেলগে পৰিমাণটো বিনিৰ্দ্দিষ্ট কৰিব।

আয়ৰ পৰা ব্যৱকলন ৰূপে সুদ অনুদত্ত নহব।

৯। আয় কৰ অধিনিয়ম, ১৯৬১ (১৯৬১ৰ ৪৩)ত কোনো কথা থকা সত্ত্বেও, এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত বা অনুসৰণত কোনো ক্ৰেতাৰ দ্বাৰা দেয় বা আদায় দিয়া সুদৰ পৰিমাণটো, আয় কৰ অধিনিয়ম, ১৯৬১ (১৯৬১ৰ ৪৩)ৰ অধীনত আয় গণনা কৰাৰ প্ৰয়োজনাৰ্থে, ব্যৱকলন ৰূপে অনুদত্ত নহব।

অধ্যাৰোহী প্ৰভাৱ।

১০। এই অধিনিয়মৰ উপবন্ধসমূহ, তৎসময় বলবৎ আন কোনো বিধিত ইয়াৰ সৈতে অসঙ্গত হোৱা কোনো কথা থকা সত্ত্বেও প্ৰভাৱী হ'ব।

নিৰসন আৰু ব্যাবৃত্তি।

১১। (১) ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদ অধ্যাদেশ, ১৯৯৩ (১৯৯৩ৰ অধ্যাদেশ৪) ইয়াৰ দ্বাৰা নিৰসিত।

(২) এনে নিৰসন হোৱা সত্ত্বেও, এনেদৰে নিৰসিত হোৱা অধ্যাদেশৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থাক, এই অধিনিয়মৰ তদনুৰূপ উপবন্ধসমূহৰ অধীনত কৰা বা লোৱা বুলি গণ্য কৰা হ'ব।

ৰাষ্ট্ৰপতিয়ে ক্ষুদ্ৰ নিৰিখ আৰু আনুষঙ্গিক ঔদ্যোগিক উপক্ৰমলৈ দিয়া বিলম্বিত আদায়ৰ ওপৰত সুদ অধিনিয়ম, ১৯৯৩ (১৯৯৩ৰ অধিনিয়ম সংখ্যা ৩২)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Interest on Delayed Payments to Small Scale and Ancillary Industrial Undertakings Act, 1993 (Act No. 32 of 1993) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts(Central Laws) Act, 1973 (Act No. 50 of 1973).

New Delhi
Date :

SANJAY SINGH
Secretary to the Govt. of India

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৪-০৬-১৮